প্ৰস্তাৱনা সংখ্যা

# জিজ্ঞাসা

শিক্ষা বিষয়ক একমাত্ৰ পক্ষেকীয়া বাৰ্তালোচনী

১ ম বছৰ, ১ম সংখ্যা, ২৮ ফেব্ৰুৱাৰী ১৯৯১, বৃহস্পতিবাৰ, গুৱাহাটী

মূল্য দুটকা মাত্ৰ

## অসম হাইস্কুল শিক্ষক সংস্থাৰ আন্দোলন

অসম হাইস্কুল শিক্ষক সংস্থাৰ যোৱা ২৪/২/৯১ তাৰিখে গুৱাহাটীত হোৱা কাৰ্যনিৰ্বাহকৰ সভাই সংস্থাৰ বিভিন্ন দাবীৰ সম্পৰ্কত চলি অহা আন্দোলনৰ গুৰুত্ব পৰ্যালোচনা কৰায়। সভাত যোৱা ১০/২/৯০ তাৰিখৰ পৰা সংস্থাই আৰম্ভ কৰা আন্দোলনৰ পৰিপ্ৰেক্ষিতত চৰকাৰ পক্ষৰ লগত বিভিন্ন পৰ্য্যায়ত হোৱা আলোচনা আৰু যোৱা ১২/১২/৯০ তাৰিখৰ মাননীয় ৰাজ্যপালৰ লগত

(৮ পৃষ্ঠাত চাওক)

## আনবিক শীত আহিব নেকি?

পাৰস্য উপসাগৰত সম্প্ৰতি চলি থকা ভয়াবহ যুদ্ধই এক মাৰাত্মক সম্ভাৱনা কঢ়িয়াই অনাটো জগতে পৰিলক্ষিত হৈছে। ছোভিয়েট ৰাছিয়াৰ এজন বিজ্ঞানীয়ে আশংকা প্ৰকাশ কৰিছে যে যুদ্ধখনত আনবিক বোমা এতিয়ালৈ ব্যৱহৃত নহ'লেও, আন আন যুদ্ধাস্ত্ৰ বিলাকৰ যথে মথে কৰা অপপ্ৰয়োগৰ ফলত পৃথিৱীত আনবিক শীতলতা নামি আহিব পাৰে। বিশেষজ্ঞ সকলৰ মতে প্ৰচুৰ বোমা বৰ্ষণৰ ফলত সৃষ্টি হোৱা ধুলি, গেছ, ধোঁৱা ইত্যাদিৰ ডাৱৰে আকাশ চানি ধৰিলে তেনে ধৰণৰ শীতলতা কৃত্ৰিম ভাবে সৃষ্টি হ'ব। ইতিমধ্যে যুদ্ধৰ ফলত সৃষ্টি হোৱা ধ্বংসলীলাত প্ৰচুৰ ধোঁৱা, ধুলি আদি আকাশলৈ নিৰ্গত হৈ পৰিবেশৰ বিস্তৰ ক্ষতি সাধন কৰিছে। সাগৰৰ পানীত নিৰ্গমণ হোৱা খাৰুৱা তেলৰ প্ৰদূষণত নানান সাগৰীয় চৰাই-চিৰিকতি আৰু মাছ আদি প্ৰাণীৰ অপমৃত্যু ঘটিছে। পৰিবেশ বিজ্ঞানী সকলে এই প্ৰদূষণ অতি সোনকালে নিৰাময় কৰিব নোৱাৰিলে গোটেই বিশ্বতে হ'ব পৰা ভয়াবহ পৰিস্থিতিৰ বিষয়ে শংকা প্ৰকাশ কৰিছে।

## এই সংখ্যাত

ৰাষ্ট্ৰীয় বিজ্ঞান পৰিষদ অনুসৰি বিজ্ঞান দিৱস?
- ড° কুলেন্দু পাঠক
পৰিৱেশ আৰু আমি
- ড° অমৰজ্যোতি চৌধুৰী
উদ্ভিদৰ প্ৰথম চৰ্চা - শিক্ষা
- হোমেন বৰগোহাঞি
পদাৰ্থৰ প্ৰতিম খণ্ডৰ সন্ধান
- অনন্ত কুমাৰ শৰ্মা
গণিতৰ ধুৰ্মি
- বনমালী মিশ্ৰ
আজৰি সময় যেতিয়া
- অৰেন কুমাৰ বৰা
বিজ্ঞান চৰা
প্ৰযুক্তি বিদ্যা

## অহা সংখ্যাত

জৈৱ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ
- ড° সোণেশ্বৰ শৰ্মা,
গুৱাহাটী বিশ্ববিদ্যালয়।
হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বিষয় আৰু পাঠ্যক্ৰম অনুসৰি নম্বৰ বিভাজন তালিকা।
বিজ্ঞানৰ প্ৰশ্নোত্তৰ।
গণিতৰ প্ৰশ্নোত্তৰ।
ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কম্পিউটাৰ।
• অন্যান্য নিয়মীয়া শিতানসমূহ



## ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস কিছু চিন্তা

নৱ কুমাৰ দাস

দিৱস বুলি ক'লেই আমি সৰ্বসাধাৰণ মানুহৰ মনলৈ আহে শিক্ষা দিৱস, স্বাধীনতা দিৱস, শহীদ দিৱস ইত্যাদিৰ কথা। আজিকালি অৱশ্যে এই দিৱসৰ সংখ্যা বহুত বাঢ়িল। তাৰে ভিতৰত আমি আজি যিটো দিৱসৰ কথা সাধাৰণভাৱে আলোচনা কৰিম বুলি ভাবিছো সেইটো হৈছে - ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস।

বৰ্তমানৰ পৰিপ্ৰেক্ষিতত আমি ভৰাত এইটো দিৱসৰ গুৰুত্ব যথেষ্ট বেছি। প্ৰতি ফেব্ৰুৱাৰী মাহৰ ২৮ তাৰিখটোৱে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে স্বীকৃত হৈছে। আজি ৬৩ বছৰ আগতে ১৯২৮ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৮ তাৰিখে মহান ভাৰতীয় বিজ্ঞানী চাৰ চন্দ্ৰশেখৰ ভেংকটৰমণে বিজ্ঞান জগতক উপহাৰ দিয়ে তেখেতৰ অমূল্য আৱিষ্কাৰ "ৰমন পৰিঘটনা"ৰ। আমি ভাৰতীয় হিচাপে এইটো এটা স্মৰণীয় দিন। কিন্তু ইয়াতেই এই দিনটোৰ গুৰুত্ব সীমাবদ্ধ নহয়। এই দিনটোত আমি এই মহান বিজ্ঞানীজনৰ কাৰ্যপদ্ধতি আৰু আদৰ্শৰে অনুপ্ৰাণিত হৈ বিজ্ঞানক কেনেকৈ সৰ্বসাধাৰণ মানুহৰ ওচৰলৈ লৈ যাব পাৰি তাৰ বাবে সচেষ্ট হোৱা উচিত। আৰু

(২ পৃষ্ঠাত চাওক)

## ঃ আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থী সকললৈ দুআষাৰ ঃ

অসম মাধ্যমিক শিক্ষা পৰিষদে এইবছৰৰ পৰা নতুন পাঠক্ৰম অনুসৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা অহা ২৩ মাৰ্চৰ পৰা পাতিব। নতুন পাঠ্যক্ৰমৰ পৰীক্ষাত প্ৰশ্নকাকত কি ধৰণৰ হ'ব পাৰে সেই বিষয়ে আহি প্ৰশ্নকাকত অসম মাধ্যমিক শিক্ষা পৰিষদে ইতিমধ্যে প্ৰকাশ কৰিছে। সাধাৰণ বিজ্ঞানৰ প্ৰশ্নকাকতত বিভিন্ন অধ্যায়সমূহত কিমান নম্বৰ থাকিব তাকো ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ কাৰণে অসম মাধ্যমিক শিক্ষা পৰিষদে প্ৰকাশ কৰিছে। তোমালোকে নিশ্চয় সেইবোৰ বিদ্যালয়ৰ পৰা পাইছা। যদি পোৱা নাই আমালৈ লিখিবা। আমাৰ এই বাৰ্তালোচনীত নিশ্চয় প্ৰকাশ কৰিম।

সাধাৰণ বিজ্ঞানৰ দ্বিতীয় প্ৰশ্নকাকতৰ কেইটামান প্ৰশ্নৰ উত্তৰ তোমালোকলৈ আগবঢ়ালো।

প্ৰশ্ন ১ বেক্টেৰিয়া কি? দুবিধ উপকাৰী বেক্টেৰিয়া আৰু দুবিধ

উপেন্দ্ৰ নাথ চৌধুৰী

অপকাৰী বেক্টেৰিয়াৰ নাম লিখা।

উত্তৰ ঃ বেক্টেৰিয়া সৰল এককোষী উদ্ভিদ। ইহঁতক খালী চকুৰে দেখা নাযায়। ইহঁতৰ কোষৰ চাৰিওফালে এখন কোষবেৰ থকা কাৰণে ইহঁতক উদ্ভিদৰ শ্ৰেণীভূক্ত কৰা হৈছে। বেক্টেৰিয়াৰ প্ৰকৃত কোষকেন্দ্ৰ নথকাবাবে নিম্ন শ্ৰেণীৰ আদিম জীৱ বুলি ধৰা হয়। এনে ধৰণৰ জীৱ বিলাকক প্ৰকেৰিওটিক শ্ৰেণীৰ জীৱ বুলি কোৱা হয়। ইহঁতৰ দেহত ক্লৰ'ফিল নথকা বাবে (কেইবিধমান বাদে) নিজৰ আহাৰ নিজে প্ৰস্তুত কৰিব নোৱাৰে। ইহঁতে মৃতজীৱী বা পৰজীৱী হিচাপে জীৱন ধাৰণ কৰে।

উপকাৰী বেক্টেৰিয়া ঃ (।) নেষ্টবেছিলাছ বেক্টেৰিয়া ঃ গাখীৰক দৈলৈ ৰূপান্তৰ কৰে। (।।) ৰাইজ'বিয়াম বেক্টেৰিয়া ঃ মাহজাতীয় উদ্ভিদৰ শিপাত থাকি এইবিধ বেক্টেৰিয়াই মাটিত নাইট্ৰ'জেনৰ পৰিমাণ বৃদ্ধি কৰে।

অপকাৰী বেক্টেৰিয়া ঃ

(।) ভিব্ৰিঅ'কলেৰি ঃ মানুহৰ কলেৰা ৰোগ হয়।

(।।) ছালম'নেলাটাইফি ঃ মানুহৰ টাইফয়ড ৰোগ হয়।

প্ৰশ্ন ২ মাইট'ছিছ আৰু মিঅ'ছিছ কোষ বিভাজন প্ৰক্ৰিয়াৰ কোনটো বহুকোষী জীৱৰ বংশ বৃদ্ধিৰ লগত জড়িত? বহুকোষী জীৱৰ বৰ্ধন কেনেকৈ হয়? মিঅ'ছিছৰ গুৰুত্ব কি?

উত্তৰ ঃ মিঅ'ছিছ কোষ বিভাজন জীৱৰ বংশ বৃদ্ধিৰ লগত জড়িত।

আমি জানো যে বহুকোষী জীৱৰ দেহ বৃদ্ধি হবৰ বাবে দেহত কোষৰ সংখ্যা বৃদ্ধি হোৱাৰ আৱশ্যক। যিমানে কোষৰ সংখ্যা বৃদ্ধি হব সেই

(৪ পৃষ্ঠাত চাওক)

## ছাত্ৰ-ছাত্ৰী সকলৰ বাবে কম্পিউটাৰ

চক্ৰধৰ দাস

আধুনিক যুগত কম্পিউটাৰৰ নাম নুশুনা শিক্ষিত মানুহ নাই বুলিলেই হয়। আমাৰ দেশত এতিয়াও কম্পিউটাৰৰ ব্যৱহাৰ চালুকীয়া অৱস্থাতে আছে। তথাপি দিনক দিনে ইয়াৰ ব্যৱহাৰ বাঢ়ি আহিছে আৰু অদূৰ ভৱিষ্যতে কম্পিউটাৰৰ ব্যৱহাৰ সকলো শিক্ষিত মানুহে জনাটো এটা আৱশ্যকীয় কথা হৈ পৰিব।

কম্পিউটাৰ যন্ত্ৰটোনো কি, ইয়াৰ দ্বাৰা কি কি কাম কৰিব পাৰি আৰু ইয়াক ব্যৱহাৰ কৰিবলৈ কোন বিলাক কথা জানিব লাগে - সেই গোটেইখিনিকে একেলগে কম্পিউটাৰ বিজ্ঞান বুলিব পাৰি। কম্পিউটাৰ বিজ্ঞান এটা অতি বহল পৰিসৰৰ বিষয় আৰু ইয়াক খৰচি মাৰি জানিবলৈ যথেষ্ট যত্ন আৰু ধৈৰ্য্যৰ প্ৰয়োজন। অৱশ্যে আমি ভাবিব নালাগে যে অতি মেধাবী মানুহেহে ইয়াক পঢ়িব পাৰে। সাধাৰণতে পঢ়াশুনাত বেয়া মানুহেও কম্পিউটাৰ কথা জানিবলৈ আৰু ইয়াক ব্যৱহাৰ কৰিবলৈ ভাল পাব পাৰে। তদুপৰি এইটো এটা পঢ়ি বা জানি আনন্দ পাব পৰা বিষয়। চমু কথাত ই এটা অতি ধেমাল বিষয়।

(৪ পৃষ্ঠাত চা



স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মন যোগাবলৈ বুলি 'জিজ্ঞাস' নামৰ পত্ৰিকা কাকতখন প্ৰকাশ হ'ব বুলি শুনি অতিশয় আনন্দিত হ'লো। কিয়নো আমাৰ অসমীয়া ভাষাত এই চাম পাঠক-পাঠিকাৰ কাৰণে কাকত এইখনকে প্ৰথম প্ৰয়াস বুলিব লাগিব। সেয়ে উদ্যোক্তাসকলৰ শলাগ লৈছো আৰু তেওঁলোকৰ এই সৎ প্ৰচেষ্টাৰ সাফল্য কামনা কৰিছোঁ।

*লক্ষ্যধৰচৌধুৰী*
২৪/২/৯১



জানিবলৈ ইচ্ছা – জিজ্ঞাস – the spirit of inquiry— জ্ঞান আৰু শিক্ষাৰ ক্ষেত্ৰত, আনকি জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰাথমিক প্ৰয়োজনৰ সমল। যিহেতু ছাত্ৰ-ছাত্ৰীৰ বাবেই এই পত্ৰিকা আলোচনীখন প্ৰকাশ কৰিব খোজা হৈছে, মই সেইবাবে অতিশয় আনন্দ পাইছোঁ। আশা কৰিছোঁ, জ্ঞানৰ ক্ষেত্ৰত প্ৰয়োজনীয় সৃষ্টিধৰ্মী কৌতূহল আলোচনীখনে সৃষ্টিও কৰিব আৰু নিৰসনৰ উপাদানো যোগাব।

মোৰ আন্তৰিক শুভ ইচ্ছা জনালোঁ।

*নৰকান্তবৰুৱা*
১৫/২/৯১

# ৰাষ্ট্ৰীয় বিজ্ঞান পলিছি অনুসৰি বিকাশ হৈছে নে ?

## ড° কুলেন্দু পাঠক

১৯৫৮ চনৰ মাৰ্চ মাহত ভাৰত চৰকাৰে এক বিজ্ঞান পলিছি প্ৰস্তাৱ (Science Policy Resolution-1958) গ্ৰহণ কৰে। এই প্ৰস্তাৱত দেশৰ প্ৰগতি আৰু শ্ৰীবৃদ্ধিৰ ক্ষেত্ৰত বিজ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি প্ৰত্যয়েৰে কোৱা হৈছে। এই প্ৰস্তাৱত কোৱা হৈছে যে –

ক) দেশৰ মানুহৰ প্ৰাণশক্তিৰ উপৰিও, আধুনিক কালত প্ৰয়োগ বিজ্ঞান জাতীয় প্ৰগতিৰ মুখ্য উপাদান,

খ) আধুনিক পৃথিৱীৰ চমকপ্ৰদ বৈশিষ্ট্য হ'ল – বিজ্ঞানৰ বহুল চৰ্চা আৰু দেশৰ চাহিদা পূৰাবলৈ বিজ্ঞানৰ প্ৰয়োগ।

গ) বিজ্ঞানে মানৱ জাতিৰ বুনিয়াদি মূল্যবোধসমূহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে আৰু সভ্যতাক এক নতুন গতিশীলতা প্ৰদান কৰিছে।

ঘ) বৈজ্ঞানিক জ্ঞানৰ ব্যৱহাৰ আৰু বৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগৰ জৰিয়তেহে দেশৰ প্ৰতিজন মানুহকে এক যুক্তি সংগত পাৰ্থিৱ আৰু সাংস্কৃতিক সুবিধা আগবঢ়োৱা সম্ভৱপৰ – আৰু এই সম্ভাৱনাক স্বীকাৰ কৰি লৈ জনকল্যাণমুখী ৰাষ্ট্ৰৰ ধাৰণাই গঢ় লৈছে।

ঙ) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই কেঁচামালৰ অভাৱ আঁতৰাব পাৰে।

চ) চলিত শতিকাত বিজ্ঞানৰ বিকাশৰ বেগ দ্ৰুততৰ হৈছে আৰু ফলস্বৰূপে উন্নত আৰু পিচপৰা দেশসমূহৰ পাৰ্থক্য বাঢ়িহে গৈছে।

উল্লিখিত বক্তব্যৰ ভিত্তিত ভাৰতীয় বিজ্ঞান চৰ্চাৰ পৰম্পৰা গঢ়ি উঠিছে। শতাধিক বিশ্ববিদ্যালয়, আই-আই-টি, কেইবা হেজাৰ কলেজত বিজ্ঞানৰ শিক্ষা দিয়া হৈছে। স্বাধীনোত্তৰ চাৰিটা দহকত বিশ্ববিদ্যালয়ৰ সংখ্যা ২৫ৰ পৰা ১৭২, কলেজৰ সংখ্যা ৭০০ৰ পৰা ৭০০০ আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২ লাখৰ পৰা ৪০ লাখলৈ বাঢ়িল। এনেবোৰ উচ্চ শিক্ষাৰ অনুষ্ঠানত নিয়োজিত শিক্ষকৰ সংখ্যাই হ'ল গৈ ২৫ লাখ উচ্চশিক্ষাৰ প্ৰসাৰৰ লগতে বিজ্ঞান শিক্ষাৰো সংখ্যাগত প্ৰসাৰ হ'ল। ইঞ্জিনিয়াৰিং, ডাক্তৰী আৰু অন্যান্য প্ৰফেশ্যনেল পাঠ্যক্ৰমবো সংখ্যাগত প্ৰসাৰ হৈছে। পলিছি প্ৰস্তাৱ অনুসৰি দেশত পৰীক্ষাগাৰ, গৱেষণা অনুষ্ঠান আদিৰো সংখ্যা বাঢ়িছে। ডিগ্ৰীধাৰী বিজ্ঞানীৰ সংখ্যা, গৱেষণা পত্ৰ প্ৰকাশৰ সংখ্যাৰে জুখিলে আমাৰ অগ্ৰগতি পালসৰা বিধৰ বুলি কব নোৱাৰি। কিন্তু পলিছি প্ৰস্তাৱৰ গ), ঘ) আৰু ঙ) বক্তব্যৰ ভিত্তিত মূল্যায়ন কৰিলে আমাৰ অগ্ৰগতিৰ দীনতা সহজে চকুত পৰিব। আমি এই বিষয় কেইটাৰ ওপৰত যথেষ্ট চিন্তা চৰ্চা কৰাৰ প্ৰয়োজন আছে (৬ পৃষ্ঠাত চাওক)



ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

(২ পৃষ্ঠাৰ পৰা)

আধা মানুহেও নাজানে যে পানী উতলাই খালে পানীত থকা বীজাণু মৰে। অন্যহাতেদি অসমত জনসাধাৰণৰ বাবে লিখা বিজ্ঞান লেখকৰ সংখ্যা নিচেই তাকৰ। তদুপৰি বিজ্ঞান বিষয়ক আলোচনী আদিৰ সংখ্যাও আঙুলিৰ মূৰত লিখিব পৰা বিধৰ। যদিও এই বিষয়ত যথেষ্ট আলোচনা বিলোচনা হৈছে আৰু কাকত, আলোচনী আদিয়ে যথেষ্ট গুৰুত্ব দিছে তথাপি এইবোৰত প্ৰকাশিত বিজ্ঞান বিষয়ক লিখনীৰ পৰিসংখ্যা নিচেই দুখলগা।

গতিকে ২৮ ফেব্ৰুৱাৰীৰ দিনটোত মহান বিজ্ঞানী চি ভি ৰমনক সোঁৱৰাৰ লগতে যদি আমি ছাত্ৰ-ছাত্ৰী, শিক্ষক, বিজ্ঞানী, সমাজসেৱী, সংবাদসেৱী আৰু চৰকাৰী বিষয়া সকলোৱে বিজ্ঞানক জনপ্ৰিয় কৰাৰ বিষয়ে চিন্তা-চৰ্চা আৰম্ভ কৰো আৰু নিজ নিজ পৰিসৰত কাৰ্যক্ৰমণিকা হাতত লওঁ আমাৰ বৰ্তমান অৱস্থাৰ উন্নতি সাধন কৰিবলৈ কিমান পৰ লাগিছে।

অসমত শিক্ষাক্ষেত্ৰত স্কুলীয়া ল'ৰা-ছোৱালী সকলৰ বাবে পত্ৰিকা 'জিজ্ঞাস'-ৰ প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি সুখী হ'লো। আলোচনী খনক কৰিবৰ সেই স্কুল ছাত্ৰ-ছাত্ৰী সকলৰ উপাৰ্জিত শিক্ষাক, আলোচনীক সকলো উপকৃত হ'ব বুলি আশা কৰিলো। এনেকুৱা এটি আলোচনী প্ৰকাশ কৰাৰ বাবে জড়িত থকা সকলো ব্যক্তিকে শলাগ দিছো। লগতে আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এই আলোচনীখনে বৌদ্ধিক চিন্তা চৰ্চা কৰাৰ এটা পৰিৱেশ গঢ়ি তুলিব বুলি আশা কৰিলো।

আলোচনী খনি সৰ্বাংগসুন্দৰ আৰু দীৰ্ঘজীৱি হওক।

প্ৰবীন কুমাৰ শৰ্মা
সচিব, অসম মাধ্যমিক শিক্ষা পৰিষদ

# পৰিৱেশ আৰু আমি

## ড° অমৰজ্যোতি চৌধুৰী

মহাকাশযানেৰে ইতিমধ্যে মানুহে সৌৰজগতৰ বিভিন্ন গ্ৰহৰ ছবি পৃথিৱীলৈ পঠিয়াব পাৰিছে। তাৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছে যে এইসমূহ গ্ৰহত জীৱনৰ সম্ভাৱনা নাই। সৌৰ জগতৰ সীমা পাৰ কৰিও মানুহে সংকেত পঠাইছে। তাৰ ভৱিষ্যতে আমাৰ বিজ্ঞানীসকলে অৱশ্যে পৃথিৱীৰ বাহিৰত আন দূৰ দূৰণিৰ কোনোবা গ্ৰহত জীৱ আছে বুলি নিশ্চিত। অৱশ্যে এটা কথা ঠিক যে সকলোবোৰ গ্ৰহ জীৱ থকাৰ

*ভাৰতৰে বিভিন্ন ঠাইত স্কুলীয়া ল'ৰা-ছোৱালীয়ে গছ ৰুই তাক লালন পালন কৰাতো আগভাগ লৈছে। এনেদৰে ল'ৰা-ছোৱালীয়েও বন্ধৰ দিনত এনে কাম হাতত লোৱাৰ প্ৰয়োজন দেখা দিছেহি।*

*পাৰস্য উপসাগৰত ঢালি দিয়া তেলেৰে সাগৰীয় জীৱ, চৰাই-চিৰিকতিৰ কেনে অসুবিধা হৈছে – বস্তুতে যে মৃত্যুৰ মুখত পৰিছে দূৰদৰ্শনে তাৰ ছবি কঢ়িয়াই আনিছে।*

সৌৰজগতৰ বাহিৰত আন বাবে উপযোগী নহয়। এই ক'ৰবাত বুদ্ধিযুক্ত প্ৰাণী আছে কথাকে আমি এইদৰেও ক'ব নেকি তাৰ অনুসন্ধান কৰা পাৰো যে জীৱনৰ বাবে এক হৈছে। কিন্তু এতিয়ালৈকে বিশেষ অৱস্থাৰ প্ৰয়োজন। ইয়াকে পৃথিৱীৰ বাহিৰত জীৱ থকাৰ আমি পৰিৱেশৰ প্ৰয়োজন বুলিও সম্ভেদ পোৱা হোৱা নাই। ক'ব পাৰো। পৃথিৱী এনে পৰিৱেশেৰে ধন্য – সেইবাবেই আমাৰ জীৱন সম্ভৱ হৈছে। গতিকে পৰিৱেশৰ প্ৰতি আমাৰ ঋণ কিমান তাক নিশ্চয় বুজাই কোৱাৰ প্ৰয়োজন নাই। আন গ্ৰহত নথকা কি বিশেষ সম্পদনো আমাৰ পৃথিৱীৰ আছে ! আমি আটায়ে জানোঁ যে আমাৰ জীৱনৰ বাবে অতি প্ৰয়োজনীয় অম্লজান আমি বায়ুমণ্ডলৰ পৰাই পাওঁ। তদুপৰি বেলিয়ে আমাক প্ৰয়োজনীয় উত্তাপ দিয়ে। পৃথিৱীৰ আৰু এক অমূল্য সম্পদ হৈছে পানীভাগ। এইদৰে বন-বায়ু-পানী আদিয়েই পৃথিৱীৰ বিশেষ উষ্ণতাৰ সৈতে মিলি জীৱন ইয়াত চলি থকাত সহায় কৰিছে।

(৬ পৃষ্ঠাত চাওক)

# গণিতৰ বুলনি

+ − × ÷ + − × ÷

এই পিতানটোত অসমৰ হাইস্কুল শিক্ষাৰ্থী সকলৰ বাবে অংক বিষয়টোৰ ওপৰত আলোচনা কৰা হ'ব। বিষয়টোৰ পৰিসৰ মাধ্যমিক শিক্ষা পৰিষদৰ পাঠ্যক্ৰমৰ মাজতে বান্ধিবলৈ চিন্তা কৰা হৈছে। আলোচনাবোৰ আকৰ্ষণীয় কৰি ৰাখোতেই প্ৰয়োজন অনুসাৰে কৰি থোৱা হ'ব। ছাত্ৰ-ছাত্ৰীসকলে কৰা অংক বিষয়ৰ বিভিন্ন প্ৰশ্নবোৰ উত্তৰ ইয়াতেই দিয়া হ'ব। যেতিয়া ছাত্ৰ-ছাত্ৰীসকলৈ অংকৰ প্ৰশ্ন পঠিয়াবলৈ আমি অনুৰোধ জনালো। প্ৰস্তাবনা সংখ্যা হিচাপে এই সংখ্যাত আমি এখন আৰ্হি প্ৰশ্ন কাকতৰ উত্তৰ ইয়াত সন্নিবিষ্ট কৰিছোঁ। উত্তৰবিলাক যুগুতাইছে শ্ৰীযুত বনমালী মিশ্ৰ দেৱে।

১। যিটো স্বাভাৱিক সংখ্যা প্ৰতিটো স্বাভাৱিক সংখ্যাৰ উৎপাদক সেই স্বাভাৱিক সংখ্যাটো লিখা ?

২। 16 বৰ্গ ছেণ্টিমিটাৰ বৰ্গ মিলিমিটাৰত প্ৰকাশ কৰা।

৩। $2X3^2X5$ আৰু $3X5^2X7$ৰ গ.সা.গু. কিমান ?

৪। $\frac{28}{14}$ৰ মান উলিওৱা

৫। সৰল কৰা $\frac{1}{2}X\frac{1}{3}+\frac{1}{5}$ৰ $\frac{1}{6}$

৬। a = 3, b = -2 হ'লে $a+b-ab^2$ৰ মান উলিওৱা

৭। এজন মানুহে মাহে 1000 টকা উপাৰ্জন কৰে। তেওঁৰ মাহিলী সঞ্চয় আৰু মাহিলী খৰচৰ অনুপাত 1 : 4। তেওঁ মাহেকত কিমান সঞ্চয় কৰে ?

৮। চাৰিজনী ছোৱালীৰ গড় বয়স 3 বছৰ আৰু আঠজন ল'ৰাৰ গড় বয়স 6 বছৰ। তেওঁলোক কেইজনৰ গড় বয়স কিমান ?

৯। বছৰি 4% হাৰত কোনো মূলধনৰ পৰা বছৰত 45 টকা সৰল সুত হিচাপে পোৱা যায়। মূলধন কিমান ?

১০। mn-m+n ক m+n ৰে পূৰণ কৰা।

১১। সৰল কৰা : (i) $\frac{a(b+b+b)}{b(a+a+a)}$

(ii) (x+y-z) - (x-y+z) - {(y-x+z) + (y+x+z)}

১২। এজন ছাত্ৰৰ গণিত আৰু বিজ্ঞানৰ মুঠ নম্বৰ 120। তেওঁৰ বিজ্ঞানৰ নম্বৰতকৈ গণিতৰ নম্বৰ 50 বেছি। সৰল সমীকৰণ গঠন কৰা আৰু সমাধান কৰা।

১৩। সমাধান কৰা : (i) $\frac{x}{2}+5=\frac{x}{3}+7$

(ii) 3x+y-7 = 0
2x-y-8 = 0

---

উত্তৰবোৰ :

১। 1

২। 16 বৰ্গ ছেণ্টিমিটাৰ = 1600 বৰ্গ মিলিমিটাৰ

৩। $2X3^2X5$ আৰু $3X5^2X7$ ৰ
নিৰ্ণেয় গ.সা.গু. = 3X5 = 15

৪। $\frac{28}{14}=2$

৫। $\frac{1}{2}X\frac{1}{3}+\frac{1}{5}$ৰ $\frac{1}{6}$

$=\frac{1}{2}X\frac{1}{3}+\frac{1}{30}=\frac{1}{2}X\frac{1}{3}X\frac{30^{15^5}}{1}=5$

৬। $a+b-ab^2$, [a=3; b= -2]
$= 3+(-2)-3(-2)^2$
= 1-3.4 =1-12 = -11

৭। সঞ্চয় : খৰচ = 1 : 4
মুঠ ভাগ = 1+4 = 5
∴ সঞ্চয়ৰ পৰিমাণ = 1000.00 টকাৰ $\frac{1}{5}$
= 200.00

৮। প্ৰশ্ন মতে 4 জনী ছোৱালীৰ মুঠ বয়স = 3X4 বছৰ
= 12 বছৰ
„ 8 জন ল'ৰাৰ মুঠ বয়স = 6X8 বছৰ
= 48 বছৰ
∴ ল'ৰা-ছোৱালী 12 জনৰ গড় বয়স = $\frac{12+48}{12}$ বছৰ
= 5 বছৰ

৯। প্ৰশ্ন মতে 100 টকাৰ 3 বছৰৰ সৰল সুত = 4X3 টকা
= 12.00 টকা
3 বছৰত –
12 টকা সুত হয় 100 টকাৰ
∴ 1 „ „ হ'ব $\frac{100^{25}}{12_3}$ টকাৰ বা $\frac{25}{3}$ টকাৰ
∴ 45 „ „ „ $\frac{25}{3}X45^{15}$ টকাৰ বা 375.00 টকাৰ
উত্তৰ: 375.00 টকা

১০। mn-m+n
$\frac{m+n}{m^2n-m^2+mn}$
$\frac{-mn+mn^2+n^2}{m^2n-m^2+mn^2+n^2}$

∴ উত্তৰ = $m^2n-m^2+mn^2+n^2$

১১। (i) $\frac{a(b+b+b)}{b(a+a+a)}=\frac{a.3b}{b.3a}=\frac{3ab}{3ab}=1$

(ii) (x+y-z) - (x-y+z) - {(y-x+z) + (y+x+z)}
= x+y-z-x+y-z-{y-x+z+y+x+z}
= 2y-2z- (2y+2z)
= 2y-2z-2y-2z
= -4z

১২। ধৰা হ'ল ছাত্ৰজনৰ গণিতৰ নম্বৰ x
∴ বিজ্ঞানৰ নম্বৰ = (120-x)
প্ৰশ্ন মতে x-(120-x) = 50
⇒ x-120+x = 50
⇒ 2x-120 = 50
সমীকৰণটো হ'ল 2x-120 = 50
সমীকৰণটোৰ সমাধান:
2x = 50+120 = 170
∴ $x=\frac{170}{2}=85$
∴ 120-x = 120-85 = 35
∴ গণিতৰ নম্বৰ 85
আৰু বিজ্ঞানৰ নম্বৰ 35

১৩। (i) $\frac{x}{2}+5=\frac{x}{3}+7$
$\Rightarrow\frac{x}{2}-\frac{x}{3}=7-5$
$\Rightarrow\frac{3x-2x}{6}=2$
$\Rightarrow\frac{x}{6}=2$
∴ x = 12

(ii) 3x + y - 7 = 0 (i)
2x - y - 8 = 0 (ii)
(i)+(ii) ⇒
3x+y-7 = 0
2x-y-8 = 0
5x-15 = 0
⇒ 5x = 15
∴ $x=\frac{15}{5}=3$
এতিয়া x ৰ মান (i)ত বহুৱালে
3.3 + y - 7 = 0 ⇒ y = 7-9 = -2

(অহা সংখ্যাত)

## গণিতৰ মেজিক

বটলেৰে সৈতে কবিৰাজী শলীয়া দৰবটোৰ দাম সোতৰ টকা। বিদ্যাবিনোদে সদানন্দ কবিৰাজৰ পৰা এবটল ঔষধ কিনিলে। আহিবৰ পৰত কবিৰাজে ক'লে : বটলটো যদি ওভোতাই দিয়া, তেনেহ'লে মোৰ কামত আহে, তোমাকো একেৰি ধন দিম।
– কিমান দিবা ? বিদ্যাবিনোদৰ প্ৰশ্ন।
– ঔষধৰ দাম খালি বটলৰ দামতকৈ ষোল টকা বেছি।
– কবিৰাজৰ উত্তৰ।
– অ' অৰ্থাৎ মই এক টকা পাম। নহয় জানো ?
– তুমিনো কেনেকৈ বিদ্যাবিনোদ হ'লাহে ? – তেওঁকাহি মাৰি উঠিল সদানন্দ কবিৰাজ।
– এক টকা পাবা কেনেকৈ ?
সঁচাকৈয়ে বিদ্যাবিনোদে খালি বটলটোৰ বাবে এক টকা নাপাব নেকি ?

প্ৰকাশক/মুদ্ৰকলৈ এটি নতুন খবৰ –
আপোনাৰ কিতাপ, আলোচনী, সাপ্তাহিক বাতৰি কাকত কম্পিউটাৰ কম্পোজৰ জৰিয়তে সোনকালে উলিওৱাৰ বাবে যোগাযোগ কৰক :
টাইপ চেটাৰ
দত্তবৰুৱা বিল্ডিং : কলেজ হোষ্টেল ৰোড : গুৱাহাটী-১

## বিশেষপ্ৰবন্ধ

# জৈৱ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ

বৰ্তমান সময়ৰ আটাইতকৈ বেছি ক্ষিপ্ৰ গতিৰে বিকাশ লাভ কৰা প্ৰয়োগিক বিজ্ঞান হ'ল জৈৱ প্ৰযুক্তিবিদ্যা ( বায়'টেক-নোলজি )। উদ্ভিদ, প্ৰাণীকোষ আৰু অণুজীৱৰ মাধ্যমেৰে মানুহৰ ব্যৱহাৰৰ বাবে উপযোগী নানা তৰহৰ সামগ্ৰী প্ৰস্তুত বা সংশ্লেষণ কৰা প্ৰক্ৰিয়াসমূহ হ'ল জৈৱপ্ৰযুক্তিবিদ্যাৰ অন্তৰ্ভুক্ত। অৱশ্যে এটা কথা ঠিক যে বিজ্ঞানৰ এইটো শাখাৰ

ড° সোণেশ্বৰ শৰ্মা
গুৱাহাটী বিশ্ববিদ্যালয়

সৰ্বজনগৃহীত সংজ্ঞা দিয়া বৰ টান। আনহাতে এই কথাও ঠিক যে যদিও বিগত ১০ বছৰমানৰ ভিতৰতে জৈৱপ্ৰযুক্তিবিদ্যাই নিজৰ উপস্থিতিৰ কথা সৰ্বসাধাৰণৰ মাজত সগৌৰৱে ঘোষণা কৰিব পাৰিছে, তথাপি ইয়াৰ পুৰণি ইতিহাস বিচাৰি চালে দেখা যাব যে জৈৱপ্ৰযুক্তিবিদ্যাৰ ধাৰণা কোনো নতুন ধাৰণা নহয়, বৰঞ্চ ই প্ৰায় ১০,০০০ বছৰ পুৰণি। প্ৰস্তৰ যুগৰ মানুহে যেতিয়া কেৱল চিকাৰ আৰু বনৰীয়া ফল-মূল সংগ্ৰহৰ ওপৰতে নিৰ্ভৰ নকৰি, নিজৰ প্ৰয়োজন পূৰাবৰ বাবে খেতি কৰিবলৈ আৰু জীৱ-জন্তু পুহিবলৈ আৰম্ভ কৰে ঠিক তেতিয়াই জৈৱপ্ৰযুক্তি বিদ্যাৰো বীজ ৰোপিত হোৱা বুলি ক'ব পাৰি। আজিৰ পৰা প্ৰায় ৮০০০ বছৰ আগতেই মানুহে 'ইষ্ট' নামৰ অণুজীৱৰ সহায়েৰে সুৰা তৈয়াৰ কৰিছিল আৰু কটি তৈয়াৰ কৰিবৰ বাবে প্ৰায় ৬০০০ বছৰ আগতেই মানুহে ইষ্ট ব্যৱহাৰ কৰিছিল। আজিও কটি তৈয়াৰ কৰোতে ইষ্ট ব্যৱহাৰ কৰা হয়। এই আটাইবোৰেই জৈৱ প্ৰযুক্তিকৌশল। অৱশ্যে বিজ্ঞানৰ নানা শাখাৰ চমকপ্ৰদ উন্নতিৰ সুযোগ 'জেনেটিক ইঞ্জিনীয়াৰিঙৰ সহায়েৰে জীৱৰ গুণৰ ক্ষিপ্ৰ আৰু ইচ্ছাকৃত পৰিবৰ্তন সাধন কৰিব পৰা ক্ষমতা আহৰণ কৰাৰ লগতে জীৱৰ দেহত আগতে নথকা নতুন গুণ বা বৈশিষ্ট্য প্ৰদান কৰিব পৰা হোৱাৰে পৰা জৈৱপ্ৰযুক্তিবিদ্যাৰ পৰিসৰ আগতকৈ বহুগুণে আৰু অভাৱনীয়ৰূপে বাঢ়ি গৈছে। সেয়েহে কৃষি, চিকিৎসাবিজ্ঞান, উদ্যোগ, পৰিৱেশ, ঔষধ শিল্প আৰু বাণিজ্য সকলোতে জৈৱপ্ৰযুক্তিবিদ্যাই প্ৰকৃত অৰিহণা আগবঢ়াব লাগিছে। দিনক দিনে ইয়াৰ সম্ভাৱনাও বাঢ়ি গৈ আছে। আনকি ইয়াৰ সহায়েৰে সাংঘাতিক জৈৱ-যুদ্ধাস্ত্ৰ নিৰ্মাণৰ সম্ভাৱনাৰ ভয়াবহতাও মানুহৰ চকুত ধৰা পৰিছে।

অহা সংখ্যাত

# আজৰি পৰৰ খেমালি

**মৰমৰ ভাইটি ভণ্টীহঁত,**

তোমালোক সকলোকে আমাৰ চ'ৰালৈ আদৰণী জনাইছো। এইটো আমাৰ আজৰি সময় কটোৱাৰ চ'ৰা। গতিকে ইয়াত আমি খেলিম, গল্প কৰিম, হাঁহি উঠা কথা পাতিম – সকলোৰে লগ লাগি। তোমালোকে ইয়ালৈ তোমালোকৰ লেখা, বা তোমালোকে সংগ্ৰহ কৰা খবৰ পঠাবা। অন্য কোনো লিখকৰ বা অন্য ভাষাৰ পৰা কিবা সংগ্ৰহ কৰিলে কিন্তু ক'ৰ পৰা বস্তুটো আনিছা লিখি দিবা।

আজৰি সময়ৰ কথা কৈছো যদিও তোমালোকৰনো কিমান আজৰি আছে। পঢ়াশুনা কৰা, ঘৰৰ কাম কৰা আবেলি হ'লে খেলা তাৰ মাজত আকৌ আজৰি সময় ওলাব? কিন্তু কিছুমান কাম কৰি থকাৰ মাজতো আজৰি সময় থাকে। যেনে তোমাৰ মাকে তোমাৰ সৰু ভাইটিটোক ৰখিবলৈ কৈ পাকঘৰত কাম কৰিছে, বা তুমি বন্ধু কেইজনৰ লগত কেৰম খেলিব খুজিছা আৰু তুমি অলপ দেৰি ৰ'লেহে খেলিবলৈ পাবা – তেনেকুৱা সময়খিনিত তুমি আমাৰ চ'ৰাত থাকিব পাৰা।

তোমালোকৰ বন্ধু-বান্ধৱ বিলাককো আমাৰ চ'ৰালৈ মাতিবা। অ' এটা কথা তোমালোকে আমাৰ চ'ৰাত বহি বহি পঢ়াশুনালৈ (স্কুলৰ) পিঠি নিদিবা আকৌ!

পুনৰ মৰমেৰে –

জিজ্ঞাসু ককাইদেউ



পঢ়িবলৈ আৰম্ভ কৰা সকলৰ বাবে ই-কাৰ ঈ-কাৰৰ খেমালি

ভেকুৰি গছৰ
মেকুৰীটোৱে
ফেকুৰি ফেকুৰি কয় –
একুৰি নিগনি
চেকুৰি চেকুৰি
কেঁকুৰিটোত আহি ৰয়।

## আবোল-তাবোল

আজব চহৰ গুৱাহাটী,
গাড়ীবিলাকে [illegible]।
গৰাখহা ঘৰ, পুখুৰীহে ঘৰ,
[illegible]।
([illegible])

[illegible]

আঠ পৃষ্ঠাত শব্দৰ খেমালি

## আচৰিত হ'লেও সঁচা

**কিমান গৰম?**

তোমালোকে কোৱা নহয় – 'আজি বৰ গৰম সেই আৰু নগঢ়ো' বা 'মাই ইমান তপত ভাতবোৰ দি দিছা খাবই নোৱাৰি' – এই গঢ়িব নোৱাৰা গৰমটো বা খাব নোৱাৰা 'তপত'টোনো কিমান গৰম ধাৰণা কৰিব পাৰানে? ৰ'বা, তাৰ আগতে বাৰু এটা কিমান গৰম বুজাবলৈ ব্যৱহাৰ কৰা একক (ফুট, কিলোগ্ৰাম, এইবিলাক একক)টো কি জানানে? এটা নিয়মত ইয়াক কোৱা হয় 'চেলচিয়াচ'। এটা নিয়ম বুলি যে লিখিছো, নিয়মকেইটা (বা পদ্ধতি) কেইটা। সো কি কাৰোবাক সুধি ল'বা।

আচল কথাটোলৈ আহোঁ। থাকিব নোৱাৰা গৰমটো (অসমত) প্ৰায় ৩৫° চেলচিয়াচ মান হ'ব। সেইদৰে খাব নোৱাৰা ভাতখিনি সিজে প্ৰায় ১০০ ডিগ্ৰী চেলচিয়াচ মানত। কিন্তু আচৰিত খবৰটো হ'ল আমাৰ ইয়াত থাকিব নোৱাৰা গৰম সৃষ্টি কৰা বেলিটো কিমান গৰম জানানে প্ৰায় ১২,০০০,০০০ ৰ পৰা ১৫,০০০,০০০ ডিগ্ৰী চেলচিয়াচৰ ভিতৰত। কিমান গৰম হ'ব কল্পনা কৰাচোন।

## সহজ সৰল মাইকেল ফেৰাদে'

*[এই কথাখিনি ভাৰতীয় বিদ্যাভৱনৰ দ্বাৰা প্ৰকাশিত "The Living Biographies of Great Scientists" নামৰ কিতাপখনৰ সহায় লৈ লিখা হৈছে।]*

বৰ্তমান পৃথিৱীত বিদ্যুৎ (ইলেক্ট্ৰিচিটি) কি নজনা বা চুম্বক কি নাম নুশুনা লোক নিশ্চয় নাই বুলিয়ে ক'ব পাৰি। এই দুয়োটা শক্তিৰ ব্যৱহাৰে মানুহৰ জীৱন যাত্ৰাৰ স্বৰূপটোকে সলনি কৰি দিলে। এই দুয়োটা শক্তিৰ কথা ক'বলৈ যাওঁতে প্ৰথমতেই এজন, এজন বিজ্ঞানীৰ নাম মনলৈ আহিব – তেওঁ হ'ল মাইকেল ফেৰাদে'। (এইটো বিষয়ত মাইকেল ফেৰাদে'য়ে কিনো কৰা নাই তাক বিচাৰি উলিওৱা টান হ'ব।)

এই মহৎ বিজ্ঞানীজনৰ চৰিত্ৰ আটাইতকৈ মন কৰিবলগীয়া দিশটো হ'ল তেওঁৰ সহজ সৰল অনাড়ম্বৰ জীৱন-যাপন। যাৰ কাৰণে তেওঁ নাম পাইছিল প্লেইন মাইকেল ফেৰাদে' (Plain Michael Faraday)

স্কুলীয়া দিনত ককায়েক ৰবাৰ্টৰ নামটো শুদ্ধকৈ উচ্চাৰণ কৰিব নোৱাৰা মাইকেলে। ৰবাৰ্ট শব্দটো তেওঁ 'ৰবটি' বুলি উচ্চাৰণ কৰিছিল আৰু এই উচ্চাৰণৰ দুৰ্বলতাৰ বাবেই স্কুল এৰিব লগা হৈছিল। ১৮৫৭ চনত সেই সময়ৰ বিজ্ঞান জগতৰ আটাইতকৈ উচ্চ পদ প্ৰেচিডেন্সি অৱ্ ৰয়েল চচাইটি-ৰ বাবে নিৰ্বাচিত হৈছিল। কিন্তু সহজ সৰল মাইকেল ফেৰাদে'ই সেই পদ প্ৰত্যাখ্যান কৰিছিল।

খ্যাতিৰ শীৰ্ষত থকা অৱস্থাৰ দিনৰ ঘটনা।

এদিন তেওঁৰ গৱেষণাগাৰলৈ এজন ৰাজবিষয়া আহিল – কিবা তথ্য জানিবলৈ। আহি তেওঁ গৱেষণাগাৰৰ বাহিৰত এজন লোক লগ পাই সুধিলে –

– আপুনি ইয়াৰে মানুহ?
– হয়। মানুহজনে উত্তৰ দিলে।
– আপুনি নিশ্চয় ইয়াত বহুদিন কাম কৰিছে?
– হয়।
– কাতু দিয়া বা তেনে কোনো কাম কৰে নিশ্চয়।
– হয়।
– মালিকে দা-দৰমহা ঠিকমতে দিয়ে নিশ্চয়?
– হয়।
– আপোনাৰ নাম?
– মাইকেল ফেৰাদে'।

বিষয়াজনে বৰ লাজ পালে।

সঁচাকৈ "সহজ সৰল মাইকেল ফেৰাদে" – নহয়নে?

## আজৰি সময়ৰ কাম –

এই শিতানৰে 'আচৰিত হ'লেও সঁচা' নামৰ লেখাটোত 'চেলচিয়াচ' বুলি এটা শব্দ আছে মন কৰিছানে?

আজি কিছুদিনৰ আগলৈকে এই 'চেলচিয়াচ' শব্দটোৰ ঠাইত 'চেন্টিগ্ৰেড' শব্দটোহে ব্যৱহাৰ কৰা হৈছিল। এই শব্দ দুটাৰ মাজত কিবা পাৰ্থক্য আছেনেকি? শব্দটোনো কিয় সলোৱা হ'ল? কিতাপত চাই, বা কোনো জনা মানুহক সুধি উত্তৰটো জানি থ'বা।

**আজৰি পৰৰ খেমালি** ত ভাগ লওঁ আহাঁ –

খেমালি খেলিবলৈতো লগ লাগিবই। গতিকে আমাৰ চ'ৰাত খেলিবৰ বাবেও লগ লাগিব। কিন্তু তোমালোকে আমাৰ লগত খেলিছানে নাই আমি কেনেকৈ জানিম? গতিকে তোমালোকে তোমালোকৰ নাম ঠিকনাবোৰ আমালৈ পঠাবাছোন। আমাৰ ঠিকনাটো লিখি ৰাখা আৰু তলৰ 'কুপন'টো লিখি পুৰাই আমালৈ লগে লগে পঠিয়াই দিয়া।

**'আজৰি পৰৰ খেমালি'**
পোষ্ট বক্স *'জিজ্ঞাসু'*
অসম টেক্সটাইল ইনষ্টিটিউট
গুৱাহাটী - ১

ইয়াতে কাটা

নাম :
ঠিকনা :
কোন শ্ৰেণীত পঢ়া :
আজৰি সময়ত কি কি কৰা :

## শহাৰ কিয় নেজ নাই? -ছবি: [illegible]



